**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 22-MAY-2026
**Time :** 1800 HRS

***Assamese Evening Bulletin***
**Headlines**
**-------------------**

ooooo

১। উমৈহতীয়া দেৱানী বিধি প্ৰনয়ন আৰু ৰূপায়ন কৰিবলৈ ৰাজ্য চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি ৰাজ্‌পাল লক্ষ্মন প্ৰসাদ আচাৰ্যৰ প্ৰকাশ।

২। উৎকোচ লৈ হাতে-লোতে গ্ৰেপ্তাৰ হোৱা অসম অসামৰিক সেৱাৰ বিষয়া লাচিত কুমাৰ দাসৰ বাসগৃহত দুৰ্নীতি নিৰীক্ষণ আৰু নিবাৰণ সঞ্চালকালয়ৰ অভিযান।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কাইলৈ ৫১ হাজাৰৰো অধিক যুৱক-যুৱতিক নিয়োগ পত্ৰ বিতৰণ।

**আৰু**

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি ছানৰাইজাৰ্ছ হাইদৰাবাদ আৰু ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালুৰুৰ মুখামুখি।

ooooo

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ ভাষণেৰে যোড়শ অসম বিধানসভাৰ প্ৰথমখন অধিৱেশনৰ আজি দ্বিতীয় দিনাৰ কাৰ্যক্ৰমণিকা আৰম্ভ হয়। ৰাজ্যপালগৰাকীয়ে ভাষণৰ আৰম্ভণিতে বিধানসভাৰ নৱ-নিৰ্বাচিত অধ্যক্ষ ৰঞ্জিত কুমাৰ দাসক অভিনন্দন জনায়। শ্ৰীদাসে তেওঁৰ দীৰ্ঘদিনীয়া অভিজ্ঞতাৰে জনসাধাৰণৰ স্বাৰ্থত সদনৰ গৰিমা আৰু ঐতিহ্য বৰ্তাই ৰাখিব বুলি ৰাজ্যপালগৰাকীয়ে আস্থা ব্যক্ত কৰে। অসমীয়াত প্ৰদান কৰা এই ভাষণত তেওঁ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাকে ধৰি নৱ-নিৰ্বাচিত বিধায়কসকলক শুভেচ্ছা জনায়।

(বাইট-ৰাজ্যপাল)

ৰাজ্যপালগৰাকীয়ে আমেৰিকা যুক্তৰাষ্ট্ৰ-ইজৰাইল-ইৰানৰ সংঘৰ্ষৰ ফলত উদ্ভৱ হোৱা পৰিস্থিতিৰ বাবে ল'বলগীয়া ব্যয় সংকোচনৰ ব্যৱস্থা, সীমান্ত সুৰক্ষা আৰু অনুপ্ৰৱেশৰ সৈতে জড়িত বিভিন্ন বিষয়ে আজিৰ ভাষণত উল্লেখ কৰে। শ্ৰীআচাৰ্যই কয়, যে ৰাজ্য চৰকাৰে উমৈহতীয়া দেৱানী বিধি ৰূপায়ণৰ বাবে কাম কৰি যাব। বিশেষকৈ ৰাজ্যখনৰ জনজাতীয়, খিলঞ্জীয়া আৰু অন্যান্য সুৰক্ষিত সম্প্ৰদায়ৰ পৰিচয়, ভূমি অধিকাৰ, নিৰাপত্তা আৰু সাংবিধানিক স্বাৰ্থ সুৰক্ষিত কৰিবলৈ চৰকাৰ দৃঢ় প্ৰতিজ্ঞ। পূৰ্বে গ্ৰহণ কৰা সিদ্ধান্তমূলক ব্যৱস্থাক ভিত্তি কৰি অহা পাঁচ বছৰত খিলঞ্জীয়াৰ অধিকাৰ আৰু জনসংখ্যাৰ সুৰক্ষাৰ বাবে আইনী তথা প্ৰশাসনিক পৰিকাঠামো অধিক শক্তিশালী কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা হ'ব। চৰকাৰে জনজাতীয় আৰু খিলঞ্জীয়া

লোকসকলৰ পৰম্পৰাগত ৰীতি-নীতি আৰু সামাজিক প্ৰতিষ্ঠানসমূহক সম্পূৰ্ণ ৰূপে সুৰক্ষিত কৰি উমৈহতীয়া দেৱানী বিধি প্ৰণয়ন আৰু কাৰ্যকৰী কৰাৰ দিশত কাম কৰিব বুলিও ৰাজ্যপালগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে সীমান্তৰ সুৰক্ষা উন্নত কৰাৰ লগতে অনুপ্ৰৱেশ নিয়ন্ত্ৰণ কৰাৰ বাবে ৰাজ্য চৰকাৰে কেন্দ্ৰীয় আৰু পশ্চিমবংগৰ চৰকাৰৰ সৈতে একেলগে কাম কৰিব। শ্ৰী আচাৰ্যই নতুন চৰকাৰে ২ লাখ চাকৰি প্ৰদান, অধিক বিনিয়োগ আকৰ্ষণ আৰু ৰাজ্যত বিদ্যুতৰ উৎপাদন বৃদ্ধিৰ বাবে কাম কৰিব বুলিও উল্লেখ কৰে।

ৰাজ্যপালগৰাকীয়ে লগতে বিগত ৫ বছৰত দখলিকৃত চৰকাৰী ভূমি আৰু বনাঞ্চল দখলমুক্ত কৰাৰ বাবে চলোৱা উচ্ছেদ অভিযান  আগলৈও অব্যাহত থাকিব বুলি জানিবলৈ দিয়ে। ৰাজ্যত বান সমস্যা দূৰ কৰাৰ বাবে ১৮ হাজাৰ কোটি টকা আবণ্টন দিয়া হ'ব বুলি ৰাজ্যপাল আচাৰ্যই আশ্বাস দিয়ে। তেওঁ কয়, যে ৰাজ্যখনলৈ শান্তি আৰু সুস্থিৰতা ঘূৰি আহিছে আৰু মাত্ৰ ৩ খন জিলাক বাদ দি সমগ্ৰ ৰাজ্যৰ পৰা সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইন প্ৰত্যাহাৰ কৰা হৈছে। বিগত সময়ছোৱাত কেইবাখনো শান্তি চুক্তি আৰু বুজাবুজিৰ চুক্তি সম্পাদিত হোৱা বুলি উল্লেখ কৰি ৰাজ্যপালগৰাকীয়ে কয়, যে ১০ হাজাৰতকৈ অধিক উগ্ৰপন্থীৰ সদস্য মূল সুঁতিলৈ ঘূৰি আহিছে। তেওঁ নিষিদ্ধ ঘোষিত আলফা স্বাধীনৰ সদস্যসকলক হিংসাৰ পথ পৰিহাৰ কৰি আলোচনাৰ মেজলৈ আহিবলৈ আহ্বান জনায়। ৰাজ্যখনে অৰ্থনৈতিক প্ৰগতিৰ ক্ষেত্ৰত উল্লেখযোগ্য সাফল্য অৰ্জন কৰা বুলি উল্লেখ কৰি শ্ৰী আচাৰ্যই কয়, যে বিগত পাঁচ বছৰত অসমৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন প্ৰায় ১৬ শতাংশৰ বাৰ্ষিক চক্ৰবৃদ্ধি হাৰত বাঢ়িছে। ২০২৮-২৯ বৰ্ষৰ ভিতৰত অৰ্থনীতি ১০ লাখ কোটি টকালৈ বৃদ্ধি পোৱাৰ দিশে অসম অগ্ৰসৰ হৈছে বুলি তেওঁ মন্তব্য কৰে। তেওঁ কয়, যে জনমূৰি আয়ো দুগুণতকৈ বৃদ্ধি পাইছে আৰু মূলধনী ব্যয় ২০২৫-২৬ বৰ্ষত ২৬ হাজাৰ ৫৩১ কোটি টকালৈ বৃদ্ধি পাইছে। ৰাজ্যপালৰ ভাষণ চলি থকাৰ সময়তে বিৰোধী  কংগ্ৰেছ দলৰ সদস্যসকলে সদন ত্যাগ কৰে আৰু সদনৰ বাহিৰত মূল্যবৃদ্ধিৰ বিৰুদ্ধে হাতে হাতে প্লেকাৰ্ড লৈ প্ৰতিবাদ সাব্যস্ত কৰে।

ৰাজ্যপালৰ ভাষণৰ পাছত অধ্যক্ষই সদনৰ কাম-কাজ ৪৫ মিনিটৰ বাবে বিৰতি ঘোষণা কৰে। ইয়াৰ পাছতে শাসকীয় দলৰ বিধায়ক বিশ্বজিৎ ফুকনে ৰাজ্যপালৰ ভাষণ সন্দৰ্ভত ধন্যবাদসূচক প্ৰস্তাৱ উত্থাপন কৰে। বিধায়ক সুশান্ত বৰগোহাঁয়ে এই প্ৰস্তাৱৰ প্ৰতি সমৰ্থন জনায়। অধ্যক্ষই ইয়াৰ পাছতে সদনৰ কাৰ্যক্ৰমণিকা ২৫ মে'লৈ স্থগিত ঘোষণা কৰে।

০০০০০

উৎকোচ লৈ হাতে-লোতে গ্ৰেপ্তাৰ হোৱা ভূমিলেখ আৰু জৰীপ অধিকৰ্তা কাৰ্যালয়ৰ সহকাৰী সঞ্চালক আৰু অসম অসামৰিক সেৱাৰ বিষয়া লাচিত কুমাৰ দাসৰ বেলতলা তিনিআলিৰ ৰানী বাগানৰ বাসগৃহৰ পৰা দুৰ্নীতি নিৰীক্ষণ আৰু নিবাৰণ সঞ্চলকালয়ে মুঠ ৪৮ লাখ ৩৮ হাজাৰ ১৫০ টকা মূল্যৰ নগদ ধন জব্দ কৰিছে।  ইয়াৰ লগতে দলটোৱে দাসৰ ঘৰৰ পৰা ৯টা বেংক একাউণ্টত জমা ৰখা ৮০ লাখ টকা ফিক্স ডিপ'জিটৰ ৰচিদ, প্ৰায় আধা কেজি ওজনৰ অলঙ্কাৰ, জীৱন বিমাৰ পলিচিকে ধৰি ভালেখিনি নথি-পত্ৰ আৰু সামগ্ৰী জব্দ কৰে। দুৰ্নীতি নিৰীক্ষণ আৰু নিবাৰণ সঞ্চালকালয়ৰ অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান সুৰেন্দ্ৰ কুমাৰে আজি এখন সংবাদমেলত অভিযুক্ত দাসৰ বাসগৃহত চলোৱা অভিযান সন্দৰ্ভত সবিশেষ সদৰি কৰে।

(VC-PTC)

শ্ৰীকুমাৰে উৎকোচ লোৱা সন্দৰ্ভত এটা গোচৰ ৰুজু কৰাৰ লগতে অভিযুক্ত দাসৰ বিৰুদ্ধে আয়তকৈ অধিক সম্পত্তি অৰ্জনৰো এটা পৃথক গোচৰ ৰুজু কৰা হ'ব বুলি জানিবলৈ দিয়ে। চলিত বৰ্ষত ৪ জনকৈ উচ্চপদস্থ চৰকাৰী বিষয়া উৎকোচ লৈ গ্ৰেপ্তাৰ হেৱাৰ তথ্য সদৰি কৰি তেওঁ কয় যে ৰাজ্য চৰকাৰৰ দুৰ্নীতি বিৰোধী আপোচহীন নীতি অনুযায়ী দুৰ্নীতি নিৰীক্ষণ আৰু নিবাৰণ সঞ্চালকালয়ে দুৰ্নীতিৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ ভি ডি অ' কনফাৰেন্সিং ব্যৱস্থাৰ মাধ্যমেৰে ১৯ সংখ্যক নিয়োগ মেলাৰ জৰিয়তে বিভিন্ন চৰকাৰী বিভাগ আৰু সংস্থাত ৫১ হাজাৰৰো অধিক যুৱক-যুৱতীক নিযুক্তি পত্ৰ বিতৰণ কৰিব। ইয়াৰ পূৰ্বে দেশজুৰি আয়োজিত ১৮ খন নিয়োগ মেলাৰ জৰিয়তে দেশৰ প্ৰায় ১৮ লাখ যুৱক-যুৱতীক নিযুক্তি পত্ৰ বিতৰণ কৰা হয়। কাইলৈ এই নিয়োগ মেলা দেশৰ ৪৭ টা স্থানত অনুষ্ঠিত হ'ব। দেশৰ সকলো প্ৰান্তৰ পৰা নিৰ্বাচিত প্ৰাৰ্থীসকলে ৰে'ল মন্ত্ৰালয়, বিত্তীয় সেৱা বিভাগ, গৃহ মন্ত্ৰালয়, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়, উচ্চ শিক্ষা বিভাগকে ধৰি কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন বিভাগত যোগদান কৰিব।

ooooo

চৰাইদেউ জিলাৰ অসম-নাগালেণ্ড সীমান্তৰ নামতোলাত আজি চৰাইদেউ আৰক্ষীয়ে অভিযান চলাই বুজন পৰিমাণৰ নিচাযুক্ত সামগ্ৰীসহ এগৰাকী মহিলা সৰবৰাহকাৰীক আটক কৰিবলৈ সমৰ্থ হয়। অসম-নাগালেণ্ড সীমান্তৰ এই অঞ্চলটোক নিষিদ্ধ মাদক দ্ৰব্য সৰবৰাহকৰীয়ে এটা কৰিড'ৰ হিচাপে ব্যৱহাৰ কৰি অহাৰ অভিযোগৰ ভিত্তিত আৰক্ষীয়ে আজি এই অভিযান চলায়। অভিযানটোৰ সন্দৰ্ভত এইয়া আমাৰ চৰাইদেউৰ সংবাদদাতা নবুল কোঁৱৰ-

(বাইট)

ooooo

ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত দুৰ্ঘটনা হ্ৰাস কৰাৰ উদ্দেশ্যেৰে উচ্চতম ন্যায়ালয়ে জাৰি কৰা নিৰ্দেশ অনুযায়ী নগাওঁ জিলাৰ ঘাইপথত গধুৰ আৰু বাণিজ্যিক যান-বাহন ৰখাব নোৱাৰিব বুলি জিলা আয়ুক্তই জানিবলৈ দিছে। ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ ধাৰা অনুযায়ী এই ক্ষেত্ৰত জিলা প্ৰশাসনে নিষেধাজ্ঞা আৰোপ কৰিছে। গধুৰ যান-বাহন ৰখোৱাৰ বাবে নিৰ্দিষ্ট ঠাইতহে এইসমূহ ৰখাব পৰা যাব। নিৰ্দেশ অমান্য কৰিলে আইনগত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি জিলা প্ৰশাসনে সকিয়াই দিছে।

ooooo

যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানে আজি আন্তঃৰাষ্ট্ৰীয় জৈৱ বৈচিত্ৰ্য দিৱস উপলক্ষে পি এম শ্ৰীফেঁচুৱাল জয়শ্ৰী উচ্চ মাধ্যমিক বিদ্যালয়ত এটা সজাগতামূলক অনুষ্ঠানৰ আয়োজন কৰে। ছাত্ৰ-ছাত্ৰীৰ মাজত জৈৱ বৈচিত্ৰ্য সংৰক্ষণ আৰু বহনক্ষম জীৱনধাৰাৰ গুৰুত্ব সন্দৰ্ভত সজাগতা বৃদ্ধিৰ উদ্দেশ্যে আয়োজন কৰা এই অনুষ্ঠানত ভালেসংখ্যক শিক্ষাৰ্থী, শিক্ষক-শিক্ষয়িত্ৰী আৰু বিজ্ঞানীয়ে অংশগ্ৰহণ কৰে। এই দিৱস উদযানৰ অংশ হিচাপে গছপুলি ৰোপণ, কুইজ, চিত্ৰাংকণ প্ৰতিযোগিতাৰ লগতে অন্যান্য কাৰ্য্যসূচী অনুষ্ঠিত হয়। শিক্ষাৰ্থীসকলে

প্ৰকৃতি, বন আৰু পৰিৱেশ সংৰক্ষণ বিষয়ক সজাগতা আৰু সৃজনশীলতা প্ৰদৰ্শন কৰা বিভিন্ন অনুষ্ঠান পৰিৱেশন কৰে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হায়দৰাবাদত হ'বলগীয়া এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত গুজৰাট টাইটানছে চেন্নাই ছুপাৰ কিংছক ৮৯ ৰানত পৰাস্ত কৰে।

০০০০০

সমাপ্ত